# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

### তাৰিখঃ ১০/৩/২০২৫ সোমবাৰ

---

**ইংৰাজী ১০-০৩-২০২৫ তাৰিখে অসম বিধান সভাৰ বাজেট অধিবেশন পূৰ্ব্ব নিৰ্ধাৰিত কাৰ্য্যসূচীমতে ৰাতিপুৱা ৯ঃ৩০ বজাত আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ** Question No.14, Hon'ble Member Shri Ponakan Boruah.Hon'ble Minister.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**মাননীয় অধ্যক্ষ ঃ** Supplementary.

**শ্ৰী পোনাকন বৰুৱা, (চাবুৱা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে জানিবলগীয়া কথাখিনি আছিল যে অসম বা উত্তৰ পূৰ্বাঞ্চললৈ বিদেশী পৰ্য্যটক বা অন্য কোনো লোক অহাত বাধা সৃষ্টি কৰা কিবা আইন ৰাজ্যখনত বলবৎ হৈ আছে নেকি বা তেনে আইনসমূহ প্ৰত্যাহাৰ কৰি বিদেশী পৰ্য্যটক বা বিদেশী বিনিয়োগকাৰী অসম বা উত্তৰ পূৰ্বাঞ্চললৈ আগমন সুগম কৰিবলৈ চৰকাৰে কি ব্যৱস্থা লৈছে? মই উত্তৰটো পাইছো। কিন্তু ইয়াত যিধৰণে কোৱা হৈছে যে সমূলি বিদেশী পৰ্য্যটক বা অন্য লোকক বাধা দিয়া কোনো আইন বলবৎ হৈ থকা নাই। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, আমি সকলোৱে জানো যে ৰাজ্যখনত সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন প্ৰযোজ্য হৈ আছে। তাৰবাবে ডিব্ৰুগড়, তিনিচুকীয়া, শিৱসাগৰ, চৰাইদেউ সেই জিলাকেইখনত অষ্ট্ৰেলিয়াকে ধৰি বহু বিদেশী ৰাষ্ট্ৰই তেওঁলোকৰ পৰ্য্যটক বা অন্য কোনো লোক তেওঁলোকৰ দেশৰ পৰা অহাত তেওঁলোকে বাধা প্ৰদান কৰে। গতিকে এই আইনখন অসমৰ পৰা উঠাই নিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু বিদেশী পৰ্য্যটক বা বিনিয়োগকাৰী অসমলৈ অহাৰ পথ সুগম কৰিব লাগে।

একেসময়তে, মাননীয় অধ্যক্ষ মহোদয়,এতিয়া Advantage Assam আহিলে, দেশ-বিদেশৰ ডাঙৰ ডাঙৰ বিনিয়োগকাৰী আহিছে, এই আইনখন যদি তাত বলবৎ হৈ থাকে, তেনেহ'লে মই ভাবো যে ডিব্ৰুগড়, তিনিচুকীয়া, শিৱসাগৰ, চৰাইদেউ জিলাত ডাঙৰ উদ্যোগ গঢ়াত নিশ্চয় বাধা আহিব। গতিকে এই আইনখন উঠাই নিয়াৰ ব্যৱস্থা কৰিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, মই বেলেগ supplementary আৰু নকৰো, মই একেলগে আকৌ কৈ যাব বিচাৰিছো যে এটা সময় আছিল যেতিয়া অসমত বন্ধ, ধৰ্ণা, আন্দোলন, বোমা বিস্ফোৰণ, গুলী বাৰুদৰ শব্দ শুনা গৈছিল। কিন্তু যোৱা সময়ছোৱাত আমাৰ চৰকাৰ অহাৰ পাছত, বিশেষকৈ ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হোৱাৰ পাছত ৰাজ্যখনত এইসমূহ পৰিস্থিতি নোহোৱা হ'ল। গতিকে এনেকুৱা আইন ৰাজ্যখনত বলবৎ হৈ থকাৰ কোনো যুক্তি নাই। এই আইনবিলাক বলবৎ হৈ থাকিলে ৰাজ্যখনৰ বিষয়ে বাহিৰত আমাৰ ছবিখন বেয়া হয়। গতিকে

এই আইনখন সমুলঞ্চে নাইকীয়া কৰিবলৈ হ'লে এটা পৰিৱেশ ৰচনা কৰিবৰ কাৰণে, এটা ব্যৱস্থা গ্ৰহণ কৰিবৰ কাৰণে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমলৈ বিদেশী পৰ্য্যটক অহাৰ বাধা দিয়া তেনেকুৱা restriction বা impose কৰা তেনেকুৱা কোনো আইন বলবৎ হৈ থকা নাই। মই ভাৱো মাননীয় সদস্য গৰাকীয়ে ইয়াত AFSPA ৰ কথাটো কৈছে। গতিকে মাননীয় অধ্যক্ষ মহোদয়, আপুনি শুনি পাব আৰু মই মাননীয় সদস্য গাৰকীকো জনাব বিচাৰিছো যে আমাৰ মাননীয় ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্যমন্ত্ৰী হোৱাৰ পাছত তেখেতে অসমত সকলো ৰাইজৰ সহযোগত, সকলো মাননীয় সদস্য সকলৰ সহযোগত তেখেতৰ প্ৰচেষ্টা অসমৰ আইন শৃংখলা যথেষ্ট উন্নত হোৱাৰ কাৰেণ আমাৰ ৰাজ্যখনত দুখন জিলাৰ বাহিৰে বাকীবিলাকত AFSPA উঠাই লোৱা হৈছে। যাৰ ফলত মই সদনত এই কথাখিনি জনাওঁ যে অষ্ট্ৰেলিয়াৰ নাগৰিক বা tourist সকল আগতে অসমলৈ অহাত বহু ক্ষেত্ৰত বাধা আছিল। এইবাৰ অষ্ট্ৰেলিয়াৰ নাগৰিকসকল অহাৰ কাৰণে বাধা অষ্ট্ৰেলিয়া চৰকাৰে উঠাই লৈছে। গতিকে এইখন আইনত মাত্ৰ দুখন জিলা আছে। এই দুখন জিলাও লাহে-লাহে উঠি যাব। গতিকে এতিয়া অসমলৈ কোনো বিদেশী পৰ্য্যটক অহাত বাধা নাই।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী আব্দুল ৰশিদ মণ্ডল।

**শ্ৰী আব্দুল ৰশিদ মণ্ডল, (উত্তৰ গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাক ধন্যবাদ জনাইছো। পৰ্য্যটন বিভাগৰ কথা যিহেতু আহিছে, গোৱালপাৰা জিলাৰ পৰ্য্যটনৰ যিবিলাক আকৰ্ষণ স্থান তাত ধৰ্মীয় পৰ্য্যটক আৰু সাংস্কৃতিক পৰ্য্যটক বহু পৰিমাণে আহি থাকে, বাদলডুবাত। কিন্তু ইয়াত বিদেশী পৰ্য্যটক থাকিব পৰাকৈ কোনো আন্তঃগাঁথনি নাই। তাৰকাৰণে পৰ্য্যটকৰ সংখ্যা কম। ------interruption------

**মাননীয় অধ্যক্ষ ঃ** এইটো Home Department ৰ কথাহে কৈছে। এতিয়া প্ৰশ্ন নং-১৪২, শ্ৰী শিবু মিশ্ৰ। মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী কৃষেন্দু পাল, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**মাননীয় অধ্যক্ষ ঃ** Hon'ble Member.

**শ্ৰী শিবু মিশ্ৰ, (হোজাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই জনাত ভেটেনেৰী বিভাগটো যুগ-যুগ ধৰি অৱহেলিত হৈ আহিছে। তাৰকাৰণে, আমাৰ নৱ নিৰ্বাচিত মন্ত্ৰী ডাঙৰীয়াক মই আপোনাৰ যোগেদি অৱগত কৰিব বিচাৰিছো যে এই বিভাগটো অবহেলিত হৈ আছিল। কিন্তু বৰ্তমান আমাৰ চৰকাৰ অহাৰ পাছত performance যথেষ্ঠখিনি ভাল হৈছে। আমাৰ ডক্টৰ আছে, চতুৰ্থ বৰ্গৰ কৰ্মচাৰী আছে, ঔষধ আছে। তাৰকাৰণে মই অসম চৰকাৰ বা সন্মানীয় মুখ্যমন্ত্ৰী বা বিভাগীয়

মন্ত্ৰীক সন্মান জ্ঞাপন কৰিছো আৰু বিশেষকৈ এইটো এটা ইতিহাস হৈছে যে ভেটেনেৰী বিভাগত ১৯৬২ মোবাইল ভেন দিয়া দুবছৰমান হ'ল। যদি কিবা সমস্যা হয়, এই নম্বৰটোত কল কৰিলে তৎকালীনভাৱে free treatment, free medicine আদি পোৱা যায়। তাৰবাবে মই আমাৰ মাননীয় মুখ্যমন্ত্ৰী তথা মন্ত্ৰী ডাঙৰীয়াক সন্মান জ্ঞাপন কৰিছো।

মোৰ প্ৰশ্নটো হ'ল, performance, service, doctor, medicine সকলো আছে, কিন্তু লামডিংত যিটো State Dispensary আছে, তাত infrastructure ইমান বেয়া যে তাত ডাক্তৰ থকাৰ পাছতো তেওঁলোকে তাত বহিব নোৱাৰে। Medicine ৰখাৰ তাত ভাল ব্যৱস্থা নাই। লংকাত performance যথেষ্ঠখিনি ভাল হৈছে। এইটো এটা ইতিহাস হৈছে বুলি মই ভাৱো যে আগতে তাত মোবাইল ভেনৰ কথা আমি কেতিয়াও দেখাও নাই, শুনাও নাই। কিন্তু এইটো মোৰ মাননীয় মন্ত্ৰী মহোদয়লৈ অনুৰোধ যে তেখেতে যেতিয়া renovation ৰে হওক বা repairing ৰে হওক, পুঁজি ধাৰ্য্য কৰে, তেতিয়া লামডিং আৰু লংকাৰ বৃহত্তৰ অঞ্চলক যাতে ক'ভাৰ কৰে।

মাননীয় অধ্যক্ষ মহোদয়, প্ৰায় ডেৰ দুবছৰ ধৰি মোৰ এটা প্ৰশ্ন আছিল যে ১ নং কাকি আৰু ২ নং কাকিত এটা পুঁজি আবন্টন কৰা হৈছে। কিন্তু এতিয়ালৈকে সেই পুঁজিটো তাত কাৰ্য্যকৰী হোৱা নাই। গতিকে এই বিষয়টো ইয়াত অনাৰ কাৰণে মই অনুৰোধ কৰিলো।

**শ্ৰী কৃষেন্দু পাল, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক শ্ৰী শিবু মিশ্ৰ ডাঙৰীয়াই সদনত development বা কামৰ যি প্ৰশ্ন উত্থাপন কৰিছে, মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মহোদয়ৰ নেতৃত্বত ভেটেনেৰী চেক্টৰত এটা আমূল পৰিবৰ্তন আনিছে আৰু আপোনালোকে জানি ভাল পাব যে যোৱা ১৬ তাৰিখে ৬৯ ডাক্তৰক নতুনকৈ নিযুক্তি দিয়া হ'ল। এইটো কথা সত্য যে ৬৬ নং লামডিং সমষ্টিৰ State Veterinary Dispensary আৰু যিটো কাকি নং -১ আৰু কাকি নং -২, Sub centre ৰ বিষয়ে আমি অৱগত আৰু এইটো মেৰামতি কৰাৰ কাৰণে RIDF-31 ত আমি এইটো লিপিবদ্ধ কৰিম আৰু পুঁজি সাপেক্ষে ভালদৰে Dispensary বিলাক যাতে কাৰ্য্যক্ষম কৰিব পৰা যায়, তাৰবাবে ব্যৱস্থা হাতত লম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া Question-143, Shri Ajoy Kr. Ray. মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**মাননীয় অধ্যক্ষ ঃ** Supplementary.

**শ্ৰী অজয় কুমাৰ ৰায়, বিজনী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে আমাৰ বিজনী সমষ্টিৰ আটাইতকৈ পুৰণি থানা হৈছে, বিজনী থানা। কিন্তু এতিয়া বিজনী থানাৰ আন্তঃগাঁথনি একেবাৰে বেয়া, একেবাৰে জৰাজীৰ্ণ অৱস্থাত আছে। আমি বিভিন্ন ঠাইত দেখিবলৈ পাইছো যে বিভিন্ন থানাৰ আন্তঃগাথনি উন্নত কৰাৰ কাৰণে বিভিন্ন ব্যৱস্থা চৰকাৰে হাতত লৈছে, তেনেক্ষেত্ৰত বিজনী থানাৰ আন্তঃগাথনি উন্নত কৰাৰ কাৰণে কিবা ব্যৱস্থা হাতত লৈছে নেকি? এই থানাখনৰ লগতে থানাৰ quarter সমূহ আৰু বেছি জৰাজীৰ্ণ। আমাৰ বিভাগীয় কৰ্তৃপক্ষ সকলে বিভিন্ন ঠাইত room লৈ ভাড়াত থাকিবলগীয়া হৈছে। তেনেক্ষেত্ৰত যদি এই ব্যৱস্থাসমূহ কৰি দিয়ে, যথেষ্ঠ সুবিধা হ'ব। ইতিমধ্যে আমি পানবাৰী থানাত পাবলৈ সক্ষম হৈছো। যদি এই আটাইতকৈ পুৰণি বিজনী থানাটো পাবলৈ সক্ষম হওঁ, তেনেহ'লে এই থানাখনৰ বাবে খুব ভাল হ'ব।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে জানে যে অসমৰ থানা সমূহৰ আন্তঃগাঁথনি নিৰ্মাণ কৰি থানা সমূহ ভাল কৰাৰ কাৰণে আমাৰ গৃহ বিভাগৰ মৈত্ৰেয়ী আঁচনিখন আছে আৰু এই মৈত্ৰেয়ী আঁচনিৰ জৰিয়তে অসমৰ থানা সমূহ পৰ্য্যায় ভিত্তিত উন্নতকৰণ কৰি থকা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে জানি সুখ পাব যে বিজনী আৰক্ষী থানাখন এইবাৰ মৈত্ৰেয়ী আঁচনিৰ অধীনত লোৱা হৈছে আৰু ইতিমধ্যে ইয়াৰ administrative approval দি দিয়া হৈছে আৰু গৃহ নিৰ্মাণৰ বাবে অসম পুলিচ Housing Board য়ে যোৱা ১১ ফেব্ৰুৱাৰী, ২০২৫ তাৰিখে ইতিমধ্যে নিবিদা আবেদন কৰিছে। গতিকে খুব ধুনীয়া থানা এখন হ'ব। এই কথাটো মই মাননীয় সদস্য গৰাকীক আশ্বস্ত কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰী অজয় কুমাৰ ৰায়, (বিজনী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো আৰু বিজনীবাসীৰ হৈ মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যে আমাৰ বিজনী সমষ্টিৰ অন্তৰ্গত পানবাৰী আৰু বিষ্ণুপুৰ এই দুই ঠাইতে আমাৰ outpost ৰ প্ৰয়োজন হৈছে। কাৰণ বিজনী আৰু পানবাৰীৰ মাজত দূৰত্ব ভালেখিনি হয়। গতিকে তেনেক্ষেত্ৰত যদি বিজনীত দুটা outpost দিব পৰা অৱস্থাত আছে তেতিয়া বিজনীবাসী নিশ্চয় উপকৃত হ'ব।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, outpost ৰ কথাটো আজি ক'ব পৰা নাযাব কাৰণ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বঙাইগাওঁত হোৱা SP conferance ত এটা কথা সিদ্ধান্ত লৈছে যে যিবিলাক পুলিচ outpost আছে সেইবিলাক থানালৈ ৰূপান্তৰিত কৰাৰ এটা চিন্তা-চৰ্চা কৰি আছে। গতিকে নতুন outpost বৰ্তমান হ'ব নে নহয় সেই কথাটো আজিৰ দিনটোত ক'ব পৰা নাযায়। তথাপি মাননীয় সদস্য গৰাকীয়ে যিহেতু প্ৰশ্নটো উত্থাপন কৰিছে গতিকে এই কথাখিনি নিশ্চয় গৃহ বিভাগৰ দৃষ্টি আকৰ্ষণ হ'ব আৰু পৰ্য্যায় ভিত্তিত এই কথাখিনি বিবেচনা কৰা হ'ব।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া প্ৰশ্ন নং ১৪৪। শ্ৰীমতী নন্দিতা দাস।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰীমতী নন্দিতা দাস, (বকো)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ উত্তৰটো মই পাইছো। মই যিটো প্ৰশ্ন কৰিছো এইটো অতি প্ৰাসংঙ্গিক। ইতিমধ্যে ইয়াৰ ওপৰত কেইদিনমান আগতে এটা resolution আহিছিল আৰু এই resolution টোৰ ওপৰত যথেষ্ঠখিনি আলোচনা ও হৈছিল। প্ৰশ্নটো আছিল যে সোনতলী আৰু বহৰীৰ মাজত এখন RCC Bridge হ'ব নেকি? মাননীয় অধ্যক্ষ মহোদয়, সিদিনাখন মন্ত্ৰী মহোদয়ে ৰিপ্লাইটো দিছিল। যিহেতু এটা দীঘলীয়া আলোচনা আছিল মাননীয় মন্ত্ৰী মহোদয়ে ৰিপ্লাই দিছিল। এই গোটেইখিনি বিষয়ত তেওঁ অৱগত। কিন্তু মই কেৱল এটা কথা ক'ব বিচাৰো যে- মই ইয়াত যিটো প্ৰশ্ন কৰিছিলো যে এই দলঙখন নোহোৱাৰ ফলত যিবোৰ ছাত্ৰ-ছাত্ৰী, কৃষক, যিসকল বেপাৰৰ লগত জড়িত লোক, যিবোৰ লেবাৰ আৰু যিসকল চৰকাৰী বিষয়া এওঁলোক যে অহা-যোৱা কৰি আছে, তেওঁলোকৰ প্ৰয়োজনীয়তা আছে বাবে তেওঁলোক অহা-যোৱা কৰিবই লাগিব। দলং থাকিলেও লাগিব বা দলং নাথাকিলেও যাব লাগিব। এইটো ক্ষেত্ৰত চৰকাৰীভাৱে দুটা চৰকাৰী ঘাট তাত দিয়া আছে। ইয়াৰ বাহিৰেও তিনিটামান চাব ঘাট ইতিমধ্যে তাত চলি আছে। কাছমাৰাৰ পৰা বহৰী, পূব মহচৰাৰ পৰা বহৰী, মাহতলিৰ পৰা

বহৰী আৰু পানীখাইটিৰ পৰা বহৰী এই চাৰিটা unauthorised ঘাট চলি আছে। চৰকাৰীভাৱে তাত কোনো কন্ট্ৰোল  নাই কিন্তু মানুহ অহা-যোৱা কৰি আছে। যিহেতু তাত শ শ হাজাৰ, হাজাৰ মানুহ অহা-যোৱা দৈনিক অহা-যোৱা কৰিয়েই আছে তেওঁলোকৰ কোনো life security ৰ ব্যৱস্থা নাই। চৰকাৰে যিটো ৰিপ্লাই দিছে যে - The matter of people crossing the river is not under control of this department. এই যে চৰকাৰে বা বিভাগে ৰিপ্লাইটো দিলে তাৰমানে কি, এই যে মানুহখিনি দৈনিক অহা-যোৱা কৰি আছে এই মানুহখিনিৰ যদি কালি এটা দূৰ্ঘটনা হৈ তাত যদি কাৰোবাৰ ভগৱানে নকৰক মৃত্যু হ'ব তাৰমানে তেতিয়া চৰকাৰে ইয়াৰ responsibilty নল'ব নেকি? আমাক দলঙখন লাগে আমি দাবী কৰি আছো। এইখন অতি দৰকাৰী। কাৰণ  নামনি অসমত উত্তৰপাৰে বহৰী আৰু দক্ষিণপাৰে সোনতলী। এই কানেকটিভিটিটো আমাৰ অতি প্ৰয়োজন। দুয়োটাই হৈছে নামনি অসমৰ ডাঙৰ বাণিজ্যিক কেন্দ্ৰ। এই যে মানুহবোৰ দৈনিক অহা-যোৱা কৰি আছে তেওঁলোকৰ জীৱনৰ ক্ষেত্ৰত, তেওঁলোকৰ জীৱন ৰক্ষা কৰাৰ ক্ষেত্ৰত, এই ছাত্ৰ-ছাত্ৰী সকলৰ ক্ষেত্ৰত বা এই সকলো মানুহৰ ক্ষেত্ৰত ৰক্ষা কৰিবৰ বাবে চৰকাৰে কেনো ব্যৱস্থা নল'ব নেকি? এখন চৰকাৰৰ মানুহ আৰু মানুহৰ জীৱনৰ ৰক্ষাৰ বাবে কোনো ব্যৱস্থা চৰকাৰে লোৱাৰ চৰকাৰৰ কোনো বিকল্প নাই নেকি? ইয়াৰ উত্তৰটো মোক লাগে।  মাননীয় মন্ত্ৰী মহোদয়ৰ উত্তৰত মই সন্তুষ্ট নহয়। চৰকাৰে কৈছে যে আমি concern নহয়। মানুহ যেনেকৈ যায়, যায় থাকক। এইটো ৰিপ্লাইত মই সন্তুষ্ট নহয়। মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ পিছত মই supplementary আনিম।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, কেইদিনমান আগত আমাৰ Private Member Bill ত এই বিষয়টো উত্থাপন হৈছিল আৰু এই সম্পৰ্কে চৰকাৰৰ ফালৰ পৰা আমি এটা বক্তব্য ৰাখিছিলো। এই কথাটো সত্য আৰু এই দলঙখনৰ যে প্ৰয়োজন আছে এই কথাটো আমি অনুভৱ কৰিছো। সেইদিনাও আমি কৈছো আৰু আজিও ক'ব বিচাৰিছো যে ছাত্ৰ জীৱনত আমি ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত এখন দলঙেই দেখি আহিছো আৰু সেই দলঙখনৰ কাষত আৰু এখন দলং হ'ল। গুৱাহাটী আৰু উত্তৰ গুৱাহাটীৰ মাজত আৰু এখন দলং হৈ আছে। কুৰুৱা আৰু গুৱাহাটী সংযোগী আৰু এখন দলং হ'ব। ইয়াৰ উপৰিও দৰং আৰু মৰিগাওঁ জিলাক সংযোগ কৰি আৰু এখন দলং হ'ব। ধুবুৰীৰ ফুলবাৰীৰ পৰা ২২ কিলোমিটাৰ দৈৰ্ঘ্যৰ এখন দলঙৰ নিৰ্মাণ কাৰ্য্য চলি আছে। পঞ্চৰত্নত যিখন দলং আছিল তাৰ ওচৰত আৰু এখন দলং হৈছে। শুৱালকুঠি আৰু পলাশবাৰী সংযোগী আৰু এখন দলঙৰ নিৰ্মাণ কাৰ্য্য চলি আছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ প্ৰচেষ্টাত বোকাখাটৰ পৰা ব্ৰহ্মপুত্ৰ নদীৰ তলেৰে গহপুৰলৈ এখন দলং হ'ব। মাজুলী সংযোগী এখন দলঙৰ নিৰ্মাণৰ কাম  চলি আছে যিখন শেষ হোৱাৰ পৰ্য্যায়ত। শিৱসাগৰৰ দিচাংমুখৰ পৰা টেকেলীফুটালৈ ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত আৰু এখন দলং হ'ব। বগীবিল আৰু ধলা শদিয়াৰ দলং ইতিমধ্যে হ'ল। মাননীয়া সদস্যা গৰাকীয়ে যিখন দলঙৰ কথা কৈছে সেইটো আমি বুজি পাইছো। কিন্তু পলাশবাৰী আৰু শুৱালকুছিৰ মাজত যিহেতু এখন দলঙৰ কাম চলি আছে গতিকে তাৰপৰা আৰু এক কিলোমিটাৰ দূৰত আৰু এখন দলং লগে লগে কৰিবলগীয়া হ'লে তাৰ পুঁজিটো SOPD ৰ পৰা আহিব লাগিব। যিখন দলঙৰ দৈৰ্ঘ্য ১২ কিলোমিটাৰ হ'ব। এই দলঙখনৰ উপৰিও তাত মাটি অধিগ্ৰহণৰ কথাটোও আহি পৰিব। লগতে তাত পৰিবেশৰ কথা আছে। গতিকে এই গোটেই কথাবোৰ আমি চালি-জাৰী চাই হে এই দলঙখনৰ কাম আমি SOPD ৰ পৰা কৰিব পাৰিম।

আমি এটা অনুসন্ধান কৰি আছো যে ৰাষ্ট্ৰীয় ঘাইপথে এনেকুৰা ধৰণৰ দলঙবোৰ বনাই। গতিকে এই দলঙখনৰ বিষয়ে আমি ৰাষ্ট্ৰীয় ঘাইপথ বা ৰেলৱেৰ লগত আলোচনা কৰিম। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত যে ইমানবোৰ দলং হ'ব সেইটো কেতিয়াও কল্পনা কৰিব পৰা নাছিল। গতিকে মাননীয়া সদস্যা গৰাকীয়ে যিখন দলঙৰ কথা কৈছে সেইটো পুঁজি সাপেক্ষেহে কৰিব পৰা যাব।

**শ্ৰীমতী নন্দিতা দাস, (বকো) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিখিনি উত্তৰ দিছে সেইখিনি মই পাইছো আৰু সেইখিনি তেওঁ নক'লেও হ'ল হেঁতেন। ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত আমাক দলং লাগে আৰু ইতিমধ্যে প্ৰায় ৭ খন হৈছে। মোৰ প্ৰশ্নটোৰ উত্তৰ আছিল যে মাননীয় মহোদয়ে ক'ব লাগিছিল যে ৮ নম্বৰ দলঙখন বনোৱাৰ কাৰণে আজি বিধান সভাত প্ৰস্তাৱ লোৱা হওঁক। তাকে নকৈ ইমান দীঘলীয়া উত্তৰ যে দি আছে তাৰবাবে মই মাননীয় মন্ত্ৰী মহোদয়ৰ উত্তৰত সন্তুষ্ট নহয়।

**মাননীয় অধ্যক্ষ ঃ** আপুনি specific question টো কৰক। মাননীয় মন্ত্ৰী মহোদয়ে কিবা বেলেগ ব্যৱস্থাৰে এই দলঙখনৰ কাম কৰিব পাৰি নেকি এই কথাটোহে কৈছে। প্ৰশ্নোত্তৰ কালত ডিবেট নহয়। এই দলঙখন কৰিব নে নকৰিব বা কেতিয়া কৰিব সেই বিষয়ে সোধক।

**শ্ৰীমতী নন্দিতা দাস, (বকো) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই পজিটিভ কথাহে কৈছো।

**মাননীয় অধ্যক্ষ ঃ** আপুনি বাজেটৰ আলোচনাৰ সময়ত এইবিষয়ে ক'ব পাৰিব। এতিয়া প্ৰশ্ন নং ১৪৫, মাননীয় সদস্য শ্ৰী ৰূপচিং তেৰণ।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী ৰূপসিং তেৰণ, (বৈথালাংচু)ঃ** অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো হ'ল এটা কথাটো ওলাইছে হয়, কিন্তু এতিয়া article 244(A) এই autonomous ত আমাৰ অধিকাৰ আছে। যোৱা ৪৫-৫০ বছৰ কাল উত্তৰ কাছাৰ ৰাইজে দাবী কৰিছে ৰূপায়ণ কৰিবলৈ। যোৱা ১৯৯৫ত ১ এপ্ৰিল MoU চুক্তি হৈছিলে আৰু ২০১১ৰ ২৫ ডিচেম্বৰ MoU চুক্তি হৈছিলে , তাৰ পিছত ২০২১চনৰ ৪ চেপ্তেম্বৰত MoU চুক্তি হৈছিলে, কিন্তু এইটো autonomousত নহয়। কাৰণ autonomous ত এটা ৰূপায়ণ কৰিব চৰকাৰে বৰ্তমান যি পদক্ষেপ ল'বলগীয়া থাকে লোৱা মই দেখা নাই। সেই কাৰণে আমি ৰূপায়ণ কৰিবলৈ চৰকাৰক এই সুযোগতে আপোনাৰ জৰিয়তে দাবী কৰিছো, আৰু লগতে আপোনালোকে জানে যে autonomous টো হ'ল আমাৰ লগত separate নহয়। কিন্তু অসমৰ ভিতৰতে থাকিব সন্দৰ্ভত হ'বলৈ কৰিব বিচাৰো এই কাৰণে 244(A)এইটো আমাৰ অধিকাৰ আছে । এইটো 244(A) ৰূপায়ণ কৰিব লাগে। চৰকাৰে এইটো পদক্ষেপ ল'ব লাগে বুলি মই অধ্যক্ষ মহোদয়ক দাবী আৰু অনুৰোধ জনাইছো। লগতে আমাৰ ভাষা, কলা- সংস্কৃতিৰ উন্নীতকৰণ কৰিবলৈ আমাৰ সংবিধানে অধিকাৰ ৰাখিছে। এইটো ক্ষেত্ৰত আমি আমাৰ ভাষা আৰু কলা-সংস্কৃতিক উচ্চ পৰ্য্যায়লৈ লৈ যাব পাৰিম লগতে আমাৰ সীমামুৰীয়া অঞ্চলত ৰক্ষণাবেক্ষন দিবৰ কাৰণে autonomous state আমাক লাগে। এইটো অতি সোনকালে ৰূপায়ণ কৰিবলৈ চৰকাৰক দাবী আৰু অনুৰোধ জনাইছো। যোৱা ৪৫-৫০ বছৰ ধৰি যি দাবী কৰি আহিছে চৰকাৰে এতিয়ালৈকে একো বিশেষ ব্যৱস্থা লোৱা দেখা নাই। অতি সোনকালে এইটো ৰূপায়ণ কৰিবলৈ এই সদনত চৰকাৰক দাবী আৰু অনুৰোধ জনাইছো। এইখনিয়ে মোৰ ক'ব লগীয়া।

**মাননীয় অধ্যক্ষ মহোদয়ঃ** ধন্যবাদ।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই কথাখিনি সদনত বহুত বাৰ

উঠিছে, আজিয়ে নহয় বহুত বছৰ আগৰ পৰা উঠি আছে, শুনিও আছো- ২৪৪ ৰ বিষয়ে। কথাটো হ'ল যে এইটো অসম চৰকাৰৰ আওতাত নপৰে। এইটো কেন্দ্ৰীয় চৰকাৰৰ বিষয়। গতিকে এই বিষয়ে অসম বিধান সভাত প্ৰশ্ন কৰিলেও তাৰ উত্তৰ দিয়াটো আমাৰ কাৰণে অলপ অসুবিধাজনক।

**Hon'ble Speaker**: question no. 146, Hon'ble Minister.

**Smti Nandita Gorlosa, Minister** : Hon'ble Speaker Sir, the answer is laid in the House.

**Shri Misbahul Islam Laskar, Borkhola** : Sir Hon'ble Minister has given reply but she has mentioned here that everything is enclosed in neva.gov portal. Sir, I cannot open this portal from here nor I got the annexure so how can I get the reply for supplementary question, when the answer is not in my hand. However, I asked the Hon'ble Minister, in reply to my question she has mentioned that all incomplete schemes are under progress and regarding schemes which are not yet been started, the reply is mentioned in 'C' above. That means it will be dropped. But I want to know the schemes which will be dropped, whether the Government will take new schemes in place of this scheme and the schemes which are under progress, when the schemes will be completed.

**Hon'ble Speaker** : Hon'ble Minister.

**Smti Nandita Gorlosa, Minister** : Hon'ble Speaker Sir, as per the question of which was in MSDP that is in Multi Sector Developmental programme now it has been named as Pradhan Mantri Jan Vikash Karyakram. Since 2016 there are some schemes which have been allotted to particular district. Accordingly what Hon'ble Member has asked is how many schemes have been completed in PMJVK. There were number of schemes have been given 719 out of which 457 have been completed. The question was that it was not being shown in the portal nor annexure was given. We will send you the annexure as it is already with us. 7 numbers are ongoing and 155 schemes are yet to be started which will be dropped. Now, your question was whether it will be allotted to the other schemes or not, the answer to that question will be those schemes that are not started as of now there are many reasons why they are not being started. For example, these schemes that have been formed for block level then it comes to the district level and then to the State level. So when it has been selected

in block level and district level, no doubt they have given it to the concerned so that it has to be approved. After approval when it has been found that when it has been given some of the scheme could not be completed because again there is a dispute of the land and mainly because of the land reasons either because of some dispute or land is not be enacted. Finally it has been send to the Ministry saying that if the schemes are not being started it may be dropped but some other schemes can be allotted. Thank you.

**Shri Misbahul Islam Laskar, Borkhola** : In my question, there is no problem in getting land, I have not received the list, but I know that there may be other reasons but not the land reasons. So my humble request to the Minister that to take immediate steps so that these schemes can be completed and new schemes may be allotted.

**Smti Nandita Gorlosa, Minister :** Hon'ble Speaker sir, the scheme which have not been taken up, we will be sending you the list but I can read out few of the list which are already been completed and which are not yet started. So suppose there was construction of science lab in an auditorium hall and boundary wall of the **RGCS HS** School, borkhola which is in the process and it is not yet completed. Some schemes like one in Badarpur **Masjid Ali LP School** i.e in class room 1 which has not been started so we had a meeting with the District Commissioner provided that the schemes which are not been started yet, we had a review and then the process is also going on, we had the intention of closing the scheme which has not been started at all. Because it cannot be started but we will be sending you the list so that you can understand what are the schemes which cannot be started and the reasons and what are the new proposals. Once you give us the proposal we will start the work. Thank you.

**Hon'ble Speaker** : Thank you, Question no. 147, Hon'ble Minister.

**Smti Nandita Gorlosa, Minister** : Hon'ble Speaker Sir, the answer is laid in the House.

**Hon'ble Speaker** : Shri Aminul Islam (Sr.) is the authorized Member.

**Shri Aminul Islam, (Sr. Dhing)**: Hon'ble Speaker Sir, it is very simple that the schemes approved under MSDP from financial year 2016-17 to financial year 2019-20, it has almost seven and eight years gone and till now maximum number of schemes are still pending. Not only in Jamunamukh or Binnakandi constituency it is the picture of entire Nagaon and Hojai district and the reasons that the Hon'ble Minister has stated here that first of all district bifurcation of Hojai for Nagaon district caused initial slowdowns, leading to procedural delays in PMJVK schemes. It is not true Sir because district bifurcation was done earlier and if this was the cause of pending of the scheme then what about the schemes of Nagaon district, it is not a bifurcated district. It is one of the earliest district in Assam. In Assam there were three districts only and Nagaon was there. So, district bifurcation may not be the cause of delay of the scheme. (2) some implementing agencies faces resource shortage of materials it is also not a valid reason. So I request the Hon'ble Speaker Sir that I and our party have demanded several times in the August House that the District Level Minority Welfare Office and District Level Minority Welfare Officer should be appointed so that the schemes may be implemented as soon as possible, most smoothly they may be functional.

মাননীয় অধ্যক্ষ ঃ What is the question?

শ্ৰীআমিনুল ইছলাম,জ্যেষ্ঠ, (ধিং) ঃ My question is that whether the Hon'ble Minister, Government will take the steps to appoint District Level Minority Welfare Officers and set up Minority Welfare Office or not? It should be clarified.

শ্ৰীমতী নন্দিতা গৰ্লোচা, মন্ত্ৰী ঃ Hon'ble Speaker Sir, as like the question have been asked and it has been given specifically for some of the areas concerned, like how Hon'ble Member had said it. We have given about the reasons for Binnakandi, Jugijan, Dhalpukhuri, Lumding and Odali also. Since 2016-17 some of the schemes have been started which have not been completed but the House must be pleased to know that some schemes which have been improved in 2018-19, 2019-20, 2020-21 that have already been completed. Our Question is basically on 2016 and17. We had particular meetings with the DCs of Nagaon, separately besides the rest of the Minority District Ministers, the reason behind is that we were also very sur-

prised, the contractors who were working were from the people who are being own from that particular area only. Mainly what we have found was the reason of the contractors who were not working properly which needs to be worked, we have given an instruction to the Deputy Commissioners, so that the Deputy Commissioners give instructions to them and within this month we will again have a meeting so that we can understand what is the progress of the meeting after we had done it. So, I would like to inform the House that the Officers that he had demanded whether the Officers will be formed, whether the Office will be formed or not, basically, it is under the District Commissioners Office. We have found that the District Level Committee, we know that the Block Level Committee, is at first, it has to come from there, then the District Level Committee is there. So, there is no question of not having a different office because the District Commissioner looks after the particular Department from the year in all the Districts wherever there is a MSDP Scheme now known as PMJVK Scheme. These are looked after by the District Commissioners.

মাননীয় অধ্যক্ষ ঃ Thank You.

শ্রীআমিনুল ইছলাম,জ্যেষ্ঠ, (ধিং) ঃ Hon'ble Speaker Sir, here the Minister is saying that the District Commissioner is there to implement the schemes but it has been infromed that the District Commissioner is responsible for the schemes for 20, 30 or 40 years. But we have seen that District Commissioners are not being so successful to collect the UC s and submit to Government of Assam in time. This is why we are not getting funds from Central Government because the Minister knows me very well, I have talked to him personally also that they are failed, they are not collecting, they are not having successful to collect the UCs timely because the District Commissioners and Block Development Officers and all the other relevent Officers are neglecting the duties because they are not line department for this. This is why the UCs are not being collected and they are not getting the fund from Central Government. So, I request through you that all the pending schemes should be done as soon as possible and the UCs should be collected very soon and we have to take initiatives so that we can get more funds from Central Government. Thank you.

**माननीय अध्यक्ष ঃ** Thank you. Hon'ble Minister.

**শ্ৰীমতী নন্দিতা গাৰ্লোচা, মন্ত্ৰী ঃ** Hon'ble Speaker Sir, as we have already mentioned previously, we have taken an information from all the DCs after constant meeting. We assured to the House that it will be done very soon. Thank you so much.

**माननीय अध्यक्ष ঃ** Thank you. Now, Question No. 148, আব্দুছ ছোৱাহান আলী সৰকাৰ,Hon'ble Minister,

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ ডাঙৰীয়া, উত্তৰ সদনৰ মেজত ৰখা আছে।

**শ্ৰী আব্দুছ ছোৱাহান আলী সৰকাৰ, (গোলকগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰখিনি ইয়াত পাইছো, আমাৰ মাননীয় বিধায়ক সকলে যেনেকৈ কৈ থাকে যে উত্তৰহে পাইছো, আমি উত্তৰত সন্তুষ্ট নহওঁ মোৰো কথাটো ঠিক তেনেকুৱাই যেন। যোৱা বছৰ বিধান সভাৰ বাজেট অধিবেশনত মই এইটো প্ৰশ্নৰ উত্তৰত এই পবিত্ৰ সদনত মুখ্যমন্ত্ৰী মহোদয়ে ঘোষণা কৰিছিল যে অহা বাজেট অধিবেশনত গংগাধৰ নদীৰ ওপৰত কাঠালতালি, তামাৰহাট সংলগ্ন ব্ৰীজখন বাজেটত ঘোষণা কৰা হ'ব। লগতে অসমৰ আৰু বেলেগ জিলাটো ব্ৰহ্মপুত্ৰ নৈৰ ওপৰত দলংৰ কথা ঘোষণা কৰিব। কিন্তু ঠিক তেনেকুৱা কোনোধৰণৰ উত্তৰ মই প্ৰশ্নৰ উত্তৰত নাপালো। মই এই কথা মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা clear হ'ব খুজিছো যে ইমান গুৰুত্বপূৰ্ণ এখন ঠাইত দলং লাগে ইয়াৰ আগতে মুখ্যমন্ত্ৰী মহোদয়ে গোলকগঞ্জ সমষ্টিত কেইবাখনো সভাত নিজমুখে ঘোষণা কৰিছিল এই দলঙখন দিব বুলি। এইটো clarification দিব লাগে। দিব নে নাই বা এই বেলি বাজেটত যিহেতু আজি ১১-৩০ বজাৰ পিছত আমি বাজেট পাম। সেই বাজেটত আহিব নে নাই সেইটো clear কৰিব লাগে। লগতে যোৱা বছৰ যেতিয়া এই ARRBP scheme ত ৩ খন কৈ বা ৪ খন কৈ ব্ৰীজ গোলকগঞ্জ সমষ্টিয়ে পাইছিল। তেতিয়া গোলকগঞ্জ সমষ্টিত এখন ব্ৰীজ দিয়া হৈছিল। আমাৰ 4 lane যিটো শ্ৰীৰামপুৰৰ পৰা আমাৰ ফুলবাৰী দলঙলৈকে আহিছে, সেই ব্ৰীজৰ লগত same ব্ৰীজ হোৱাৰ কাৰণে cancel কৰা হৈছে। গোলকগঞ্জ সমষ্টি ৩ খন ব্ৰীজৰ পৰা বঞ্চিত হৈছে। মোৰল প্ৰশ্নত দিয়া আছে, যে এখন ব্ৰীজ হাজিৰহাট বজাৰদিয়া হৈছে সেইটো replacement ৰ কথা দিয়া হৈছে যে এক নংত replacement দিয়া হৈছে অহাবাৰ। এক বছৰ হৈ গ'ল, এক বছৰ হৈ যোৱাৰ পিছটো যদি replacement , replacement তে থাকে তেনেহ'লে গোলকগঞ্জ সমষ্টিটো এইখন চৰকাৰে অৱহেলা কৰিলে নে নাই, গোলকগঞ্জ সমষ্টিৰ ৰাইজে আজি জানিব বিচাৰিছে। এইটো আমাৰ প্ৰথম supplementary । ইয়াৰ উত্তৰ পোৱাৰ পিছত মই ২য় supplementary টো কৰিম।

**माननीय अध्यक्ष ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্যগৰাকীয়ে কোৱা মতে গোলকগঞ্জ সমষ্টিক অৱহেলা কৰা হৈছে নেকি এইটো কথা সঁচা নহয়। কিয় নহয় আমি Sabka Sath Sabka Vikas যেতিয়া কৈছো, সকলো ঠাইৰে উন্নতি হ'ব লাগিব। সকলোৰে উন্নতি হ'ব লাগিব, এইটো প্ৰধান মন্ত্ৰীৰ কথা। মাননীয় মুখ্যমন্ত্ৰীয়ে সেই নীতিটো লৈ আজি ৰাজ্যখন আগুৱাই লৈ গৈছে, আৰু সেই কাৰণে তেওঁ দৃঢ়তাৰে কৈছে যে ভাৰতবৰ্ষৰ ৫ খন ধনী ৰাজ্যৰ ভিতৰত অসম ৰাজ্যখনকো কৰা হ'ব। সেয়েহে গোলকগঞ্জ সমষ্টি যদি পিছপৰি থাকে তেন্তে ধনী ৰাজ্য কেনেকৈ হ'ব? সকলোবিলাক জিলাৰে উন্নতি হ'ব লাগিব। গতিকে মুখ্যমন্ত্ৰীৰ এইটো স্পষ্ট

নীতি মুখ্যমন্ত্ৰীয়ে ঘোষণা  কৰিছে। এতিয়া গংগাধৰ নদীৰ ওপৰত যিখন দলঙৰ কথা তেখেতে কৈছে, এই দলংখনৰ ক্ষেত্ৰত কি হৈছে, যে এই দলঙখনৰ ক্ষেত্ৰত বিভাগে বৰ্তমান বিবেচনা কৰি আছে। কাঠালতালি তামাৰহাট আৰু শিমলুবাৰী কুমাৰগঞ্জ ঠাইত গংগাধৰ নদীৰ ওপৰত হ'বলগীয়া তৃতীয়খন দলং বিভাগৰ ফালৰ পৰা বৰ্তমান চেষ্টা কৰি থকা হৈছে। গতিকে আমাৰ এতিয়া Administrative Approval নোপোৱাৰ কাৰণে দলংখন আমি টেণ্ডাৰ কৰিব পৰা নাই। যিহেতুকে মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে। গতিকে এইখন দলং খন হ'ব। কিন্তু দলঙখন হ'লে আজিৰ তাৰিখত আজিৰ দিনটোত পুজিঁ সাপেক্ষে কামবিলাক আগবাঢ়ি যাব লাগিব। গতিকে পুঁজি সাপেক্ষে এই দলঙখনৰ  কথাটো চৰকাৰে এটা priority ত লৈছে। গতিকে দলঙখন হ'লে আৰু তাৰ connectivity খিনি বিভাগে খুব গুৰুত্বসহকাৰে বিবেচনা কৰি আছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। 2nd supplementary.

**শ্ৰী আব্দুছ ছোৱাহান আলী সৰকাৰ, (গোলকগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ইয়াত CMGSY ৰ ৰাস্তা কামৰ সম্পৰ্কে এটা লিষ্ট দিছে আৰু ইয়াৰ অগ্ৰগতি কিমান শতাংশ হৈছে, সেইটোও দিছে। মই বিধায়ক হিচাবে ঠিকাদাৰ সকলৰ লগত যোগাযোগ কৰিছো যিখিনি ২ বছৰ, আঢ়ৈ বছৰ, ৩ বছৰ হৈ যোৱা সিমানখিনি কামৰ অগ্ৰগতি হ'ব লাগিছিল সেইখিনিলৈকে কামৰ অগ্ৰগতি পোৱা নাই। মই ঠিকাদাৰ সকলক সোধাৰ পিছত সিঁহতে এটাই উত্তৰ দিয়ে যে  আমি running bill submit কৰিছো, আমি running bill এতিয়ালৈকে পোৱা নাই। আমি running bill নেপোৱালৈকে  আমি second step লৈ কেনেকৈ যাম। এইটো মোৰ প্ৰশ্ন যে বিভাগে আমাৰ ঠিকাদাৰ সকলক সোনকালে সিহঁতৰ যিখিনি প্ৰাপ্য যিখিনি কাম হোৱাৰ পিছত running bill পাব লাগে, সেইখিনি কিয় মোকলাই দিয়া নাই? সেইখিনি মোকলাই দিলেহে, কামৰ অগ্ৰগতি আগবাঢ়িব। তেতিয়াহে অহাদিনত ঠিকাদাৰ সকলে কাম কৰিব। এইখিনি কাম অতি সোনকালে কৰিব লাগে যিহেতু এইখন চৰকাৰৰ কাৰ্য্যকাল বেছি দিন নাই গতিকে ঠিকাদৰ সকলক  তেওঁলোকৰ পাপ্য বিল খিনি দি  হলেও কাম খিনি কৰি দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰীয়ে উত্তৰ দিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় বিধায়ক গৰাকীয়ে এটা ভাল প্ৰশ্নই আনিছিল কিন্তু তেখেতে ঠিকাদাৰৰ বিলৰ কথাকৈ প্ৰশ্নটো ওলোটা কৰি দিলে। মই আপোনৰ প্ৰশ্নটোৰ উত্তৰ খুৱ আন্তৰিকতাৰে দিলো কিন্তু আপোনাৰ প্ৰশ্নটোৰ উদ্দেশ্য ঠিকাদাৰৰ বিলক লৈ। ইয়াত কিয় আপুনি লাগি আছে। যদি কাম হোৱা নাই তেতিয়াহলে বিভাগীয় অভিযন্তাক কওঁক।

**শ্ৰী আব্দুল ছোৱাহান আলী সৰকাৰ, গোলকগঞ্জ ঃ** মোৰ কথা হ'ল আমাৰ কামখিনি হ'ব লাগিব কিন্তু ঠিকাদাৰে বিল নাপালে কাম কেনেকৈ  কৰিব।

**মাননীয় অধ্যক্ষ ঃ** আপুনি বহক। মন্ত্ৰীয়ে উত্তৰ দি আছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়,এইটো অকল তেখেতৰে সমস্যা নহয়। মোৰ সমষ্টিত এনেকুৱা বহুত সমস্যা আছে।

**শ্ৰী আব্দুল ছোৱাহান আলী সৰকাৰ, গোলকগঞ্জ ঃ** চৰকাৰ এই ক্ষেত্ৰত ব্যৰ্থ হৈছে কাৰণ চৰকাৰে ঠিকাদাৰক পইছা দিব নোৱাৰাৰ বাবে কামবোৰ আধৰুৱাকৈ পৰি আছে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি বহক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰ ব্যৰ্থ হৈছে নে নাই সেইটো

ৰাইজে ক'ব আৰু আমাৰ সদস্য সকলে ক'ব। আপোনালোকে কেতিয়াবা কল্পনা কৰিছিল নেকি যে আপোনাৰ সমষ্টিত ইমান বোৰ পকী ৰাস্তা- দলং নিৰ্মাণ হ'ব এইখিনিতে মোৰ সমষ্টিৰ কথা এটা কওঁ। যে মই ১৯৮৫ চনৰ পৰাই বিধায়ক হৈ আছো, ইয়াৰ ভিতৰত ১৯৯৪ চনত আমাৰ বৰনদী অঞ্চলৰ চক বজাৰৰটো পকী কৰি দিয়াত গোটেই নলবাৰী জিলাত এনেকুৱা এটা কথা হ'ল যে চন্দ্ৰমোহন পাটোৱাৰী বৰ ক্ষমতাবান মানুহ তেওঁ বৰনদী অঞ্চলৰ চক বজাৰটো পকী কৰি দিলে । কিন্তু এতিয়া চাওঁক পথাৰলৈ যোৱা ৰাস্তাও পকী হৈছে। গতিকে আপুনি ইমান অসন্তুষ্ট হ’ব নালাগে।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ । এতিয়া প্ৰশ্ন নং ১৪৯। মাননীয় মন্ত্ৰী ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়,উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্ন কৰ্তা শ্ৰী ভাস্কৰ জ্যেতি বৰুৱা ডাঙৰীয়া যিহেতু অনুপস্থিত গতিকে এতিয়া প্ৰশ্ন নং ১৫০, শ্ৰী কমলাক্ষ দে পুৰকায়স্থ । মাননীয় মন্ত্ৰী ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়,উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, উত্তৰ কৰিমগঞ্জ** ঃ মাননীয় অধ্যক্ষ মহোদয়, কিছুমানে এনেকুৱা এটা বাতাবৰণৰ সৃষ্টি কৰিছে যে CAA ৰ জৰিয়তে লাখ লাখ বাংলাদেশী মানুহ অসমত ভৰি পৰিব। মই উত্তৰত পালো যে এতিয়ালৈকে ২ জনে নাগৰিকত্ব পালে আৰু ২৮ জন বিবেচনাধীন হৈ আছে। ইয়াৰ অৰ্থ হল যে NRC ত যিখিনি মানুহৰ নাম নাই আৰু এইক্ষেত্ৰত NRC ত কিছুমানৰ ভায়েকৰ বা দেউতাকৰ নাম আছে কিন্তু পুতেকৰ নাম নাই, যিবোৰ মানুহ হয়তো ১৯৭১/১৯৬৫ৰ আগতে অহা। যোৱা ৪ বছৰত বাংলাদেশৰ পৰা কিমান মানুহৰ অনুপ্ৰৱেশ ঘটিলে তাৰ তালিকা খন মই বিচাৰিছিলো। আৰু মই গম পালো যে ১৫৬ জন মানুহ আহিছে। তাৰ ভিতৰৰ কিছুমানৰ নাম মই পঢ়ি দিছো যেনে বাপ্পি ব্যপাৰী, হাৰুন ৰছিদ, ফাতেমা আখতাৰ, আবুছা নিজামুদ্দিন, চালেহ আখতাৰ, নাজিমা বেগম ইত্যাদি। ইয়াৰ ভিতৰত শ্ৰীভূমিৰ পৰা আটক কৰা মানুহজনৰ নাম হৈছে চামচুদ্দিন তেওঁৰ দেউতাকৰ নাম হৈছে বিৰাণ মিঞা। গতিকে আপুনি যদি তালিকা খন চাই তেতিয়া দেখা পাব যে কেনেকুৱা মানুহৰ অনুপ্ৰৱেশ ঘটি আছে। বৰাক বছাও আঁচনিৰ অধীনত ২০২১ চনৰ পৰা কিছুমানক আৰ্থিক সাহাৰ্য্য দি থকা হৈছে। মই অনুৰোধ কৰিম যে বঙ্গ সাহিত্যিক সন্মিলন, আৰু বাংলা সাহিত্য সভা এই দুটা অনুষ্ঠানক যাতে আৰ্থিক সাহাৰ্য্য দিয়া হয় তাৰ বাবে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় বিধায়ক জনে যি প্ৰশ্ন কৰিছে সেই বিষয়ে মই কওঁ যে আমাৰ GAD বিভাগক আধাৰ Enrollment ৰ দায়িত্ব দিয়া হৈছে আৰু GAD বিভাগে আধাৰ সম্পৰ্কীয় বিষয়বোৰ Take- up কৰি আছে আৰু ২০২৫ চনৰ জানুৱাৰী মাহলৈকে আধাৰ Enrollment হৈছে প্ৰায় ৯৬.৯৭ শতাংশ। গতিকে আধাৰ উন্নীতকৰণ বিষয়টো হৈছে এটা ধাৰাবাহিক প্ৰক্ৰিয়া, ই চলি থাকিব। গতিকে যদি কাৰোবাৰ আধাৰ উন্নীতকৰণ হোৱা নাই তেওঁলোকে আবেদন কৰিব পাৰিব। ২০২১ চনৰ পৰা ২০২৪ চনৰ ভিতৰত অসমত বাংলাদেশীৰ সংখ্যা কিমান। ইয়াৰ উত্তৰ হৈছে ২০২১ চনৰ পৰা ২০২৪ চনলৈ ১৫৬ জন আৰু ইয়াৰে ২০২১ চনত আহিছে ৫১ জন, ২০২২ চনত ৫৭ জন, ২০২৩ চনত ২২ জন আৰু ২০২৪ ত ২৬ জন। এই সকলৰ নাম ঠিকনা সমূহ আমি দিয়ে দিছো আপুনি নিশ্চয় পাইছে আৰু এইটো Annexure A ত দিয়া হৈছে। যেতিয়া CAA আইন খন বলবৎ হ'ল তেতিয়া সকলো

ফালে এটা আন্দোলন হ'ল আৰু তাত কোৱা হল ৫০/৬০ লাখ বাংলাদেশী মানুহ আহিব, কোনোৱাই কৈছে ১/২ কোটি মানুহ আহিব। কিন্তু CAA বলবৎ কৰাৰ পিছত এতিয়া লৈকে মাত্ৰ ৩৯ জন মানুহে নাগৰিকত্বৰ বাবে আবেদন কৰিছে আৰু তাৰ ভিতৰত এতিয়ালৈকে ২ জনক নাগৰিকত্ব দিয়া হৈছে। ইয়াৰোপৰি ১৮ খন আৱেদন এতিয়ালৈকে বিচৰাধীন হৈ আছে। ১৯ খন আবেদন বন্ধ কৰি দিয়া হৈছে যদিও তেওঁলোকে পুনৰ আৱেদন কৰিব পাৰিব। CAA আইন খন যেতিয়া আহিল তেতিয়া অসমত এনেকুৱা এটা বাতাবৰণৰ সৃষ্টি হ'ল আৰু সেই বাতাবৰণ সম্পৰ্কত মই আজি সদনত পুৰকায়স্থ ডাঙৰীয়াক ধন্যবাদ দিছো যে তেখেতে এনেকুৱা এটা বিষয় উত্থাপন কৰিছে। CAA বিৰোধী আন্দোলন টো হোৱাৰ পিছত আজি আমাৰ ইয়াত মাত্ৰ ৩৯ জনহে নাগৰিকত্বৰ বাবে আবেদন কৰিছে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, উত্তৰ কৰিমগঞ্জ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা ক'ব বিচাৰিছো যে আগতে বহুত মানুহৰ আধাৰ কাৰ্ড হোৱা নাছিল এই ক্ষেত্ৰত মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাব বিচাৰিছো যে আধাৰ কাৰ্ড ৰ কাম বহুখিনি কাম হৈ গ'ল। হয়টো ১/২ শতাংশ মানুহে এতিয়াও আধাৰ কাৰ্ড পোৱা নাই। গতিকে মই অনুৰোধ কৰিম যে এইখিনি মানুহৰো আধাৰ কাৰ্ডৰ কাম খিনি যাতে অতি সোনকালে কৰি দিয়ে। ধন্যবাদ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কৈছো যে আধাৰ কাৰ্ডৰ কথাটো হৈছে এটা Continuous Process যিটো GAD য়ে কৰি আছে, ইয়াৰ বিভিন্ন কেন্দ্ৰ আছে। গতিকে এতিয়াও যদি কোনোবাই আধাৰ কাৰ্ড পোৱা নাই আৰু যদি তেওঁ আইনগত ভাৱে ভাৰতীয় নাগৰিক হয় তেতিয়া হলে তেওঁলোকে আবেদন কৰিলে পাই যাব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, সৰুক্ষেত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, ভাৰত চৰকাৰে হওক বা আমাৰ ৰাজ্য চৰকাৰে হওঁক কৈ থাকে যে ভাৰত বাংলাদেশ সীমান্তৰ সুৰক্ষাৰ ক্ষেত্ৰত কোনো ক্ৰুটি নাই। BSF য়ে পহৰা দি আছে, কাইটীয়া তাঁৰৰ ব্যৱস্থা আছে কিন্তু তাৰ পিছতো চৰকাৰে দিয়া তথ্য মতে ২০২১ চনৰ পৰা ২০২৪ চনলৈ ১৫৬ জন বাংলাদেশী অসমলৈ আহিছে আৰু ধৰাও পৰিছে। এতিয়া মোৰ প্ৰশ্ন হল তেওঁলোকে কেনেকৈ এই কাইটীয়া বেৰৰ ব্যৱস্থা থকাৰ লগতে কটকটীয়া পহৰাৰ ব্যৱস্থা থকাৰ পিছতো তেওঁলোকে কেনেকৈ অসমলৈ আহিল। ইয়াৰ ক্ৰুটি ক'ত আছে এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে ব্যৱস্থাটো পুনৰ নিৰীক্ষণ কৰিব লাগে। বিষয়া কোনোবা ইয়াৰ লগত জড়িত হৈ আছে নেকি, এই বিষয়ে সদনত মাননীয় মন্ত্ৰী ডাঙৰীয়াই জনাব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ প্ৰথম প্ৰশ্নটোৰ মই উত্তৰ দিব বিচাৰিছো, এই ১৩৯ জন অহাৰ ক্ষেত্ৰত কোনো চৰকাৰী বিষয়া বা কোনো চৰকাৰৰ agency জড়িত নহয়। তেওঁলোকে তাৰ মাজত সুৰুঙা লৈ আহিছে, এই কাৰণে যে তাত কাটা তাঁৰৰ বেৰ দিয়া আছে, তাত BSF আছে, লগতে তাত অসম পুলিচৰ defence আছে। গতিকে বোৰ্ডাৰত সেইখিনি সুৰক্ষা কৰা আছে। কিন্তু তাৰ মাজত কিছু অঞ্চল যেনে কৰিমগঞ্জ, কৰিমগঞ্জৰ বিষয়ে সকলো মাননীয় সদস্যই জানে যে কৰিমগঞ্জ চহৰখনত কুচিয়াৰা নদীটো মাজেৰে গৈছে আৰু নদীৰ সিটো পাৰে বাংলাদেশ আৰু এইফালে অসম। গতিকে তাত কাটা তাঁৰৰ যিখন বেৰ দিব লাগে, no man zone যিটো হ'ব, তাৰ কাৰণে যিমানখিনি মাটিৰ প্ৰয়োজন হয়, সেই মাটিখিনি নাই বা আমাৰ ফালৰ পৰাও যিমানখিনি মাটি লাগে, সেই

মাটিখিনি no man zone দিব লাগিলে, তেতিয়াহলে কৰিমগঞ্জ চহৰখনৰ আধা তাত গুছি যাব আৰু বাংলাদেশৰ ফালেও তেনেকৈ মাটিৰ অভাৱ হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীৰ উত্তৰত মই কৈছো যে এনেকুৰা ধৰণৰ অলপ বোৰ্ডাৰ সমূহ খোলা ঠাই আছে, যিটো আমি চেষ্টা চলাই আছো যে বৈজ্ঞানিক পদ্ধতিৰে কিবা কৰিব পৰা যায় নেকি। ইয়াৰ কাৰণে মাজতে এটা পৰীক্ষা কৰা হৈছিল যে তাঁৰসমূহত কেমেৰা ওলোমাই চাৰিওঁফালে কেমেৰেৰাৰে vigilance কৰিব পাৰো নেকি। এই পৰীক্ষাটো কৰাত BSF য়ে কলে যে এইটোৰ পৰা আৰু অন্যান্য বহুতো অসুবিধা হ'ব পাৰে, গতিকে এইটো কৰিব নোৱাৰে।

দ্বিতীয়তে, বোৰ্ডাৰ সমূহত থকা নদী অঞ্চলত, সেই নদীসমূহত অলপমান fence কৰিব পৰা নাই। গতিকে তাৰ ওপৰত অত্যাধুনিক আজিৰ দিনত কি ব্যৱস্থা আছে, যে নদী সমূহত আমি কেনেকৈ fence কৰিম বা কেনেকৈ তাত সুৰক্ষাটো দিম। সেই সম্পৰ্কত এটা গুৰুত্বপূৰ্ণভাৱে আলোচনা চলি আছে, যে তেনেকুৰা অত্যাধুনিক technology কৰিব পৰা যায় নেকি যাৰ ফলত নদীসমূহ seal কৰি দিব পাৰো। যদি নদীসমূহ seal কৰি দিব পৰা যায়, তেতিয়া হলে কোনো আহিব নোৱাৰে।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, সৰুক্ষেত্ৰী** ঃ নদীৰ মাজতো পহৰা দি আছে, কৰিমগঞ্জত আমি দেখিবলৈ পাইছো। তাৰ মাজতো কেনেকৈ বাংলাদেশৰ পৰা আহে। ইয়াৰ কাৰণে দায়ী কোন? মোৰ সেইটোৱে প্ৰশ্ন?

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, নদীৰ মাজতো পহৰা আছে, তাৰ মাজেৰে ১৩০ জন কেনেকৈ আহিল, suppose, মই কবলৈ বিচাৰিছো যে যিখিনি খোলা অঞ্চল আছে, সেই অঞ্চলৰ মাজেৰে আহে। তাতকৈ ডাঙৰ কথাটো হ'ল যে কৰিমগঞ্জত আপোনালোকে যদি চাই, দেখিবলৈ পাব, কুচিয়াৰা নদীৰ সিপাৰেও অসমৰ মানুহ বহুত কেইঘৰমান আছে। গতিকে আপোনাৰ যিটো প্ৰশ্ন, সেই প্ৰশ্নৰ উত্তৰৰ এইটো কথাই কওঁ যে আমি সকলোৱে একমত যে এজনো যাতে আহিব নোৱাৰে, তাৰ কাৰণে কি ব্যৱস্থা গ্ৰহণ কৰিব লাগে, সেই ব্যৱস্থাটো গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া প্ৰশ্ন নং ১৫১, সন্মানীয় সদস্য ডাঃ আচিফ মঃ নাজাৰ।

**শ্ৰীমতী নন্দিতা গৰ্লোছা, সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**মাননীয় অধ্যক্ষ** ঃ তেখেত অনুপস্থিত। এতিয়া প্ৰশ্ন নং ১৫২, সন্মানীয় সদস্য শ্ৰী ওৱাজেদ আলি চৌধুৰী।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী ওৱাজেদ আলি চৌধুৰী, দক্ষিণ শালমাৰা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰ মই পাইছো, সময় লাগিব বুলি কৈছে। মই এইখিনিতে এটা বেলেগ supplementary কৰিব বিচাৰিছো। আমাৰ ফকিৰগঞ্জ থানা আৰু বন বিভাগৰ outpost, এই দুয়োখনে দক্ষিন শালমাৰা মানকাছাৰ পুলিচ জিলাৰ অৰ্ন্তগত। মই ক'ব বিচাৰিছো যে আমাৰ জিলা হৈছে ধুবুৰী, সমষ্টি সম্পূৰ্ণভাৱে ধুবুৰী। আগতে এটা অংশ দক্ষিণ শালমাৰা মানকাছাৰৰ অৰ্ন্তগত আছিল, এতিয়া নতুনকৈ যিটো সমষ্টি হৈছে, সেইটো সম্পূৰ্ণকৈ ধুবুৰী। গতিকে পুলিচ জিলা এতিয়াও কিয় দক্ষিণ শালমাৰা

মানকাছাৰ অৰ্ন্তগত হৈ আছে। গতিকে পুলিচ জিলা ধুবুৰী জিলাৰ অৰ্ন্তগত কেতিয়া হ'ব। সেইটোৱে মোৰ প্ৰশ্ন।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে যে তেখেতৰ outpost খিনি থানা হ'বনে নহয় আৰু দ্বিতীয় কথাটো কৈছে যে পুলিচ জিলা এখন হ'বনে নহয়?

প্ৰথম প্ৰশ্নটোৰ সম্পৰ্কত মই জনাব বিচাৰিছো যে আমাৰ বঙাইগাঁওত যিখন SP conference হৈছিল, তাত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই কথাটো কৈছিল যে যিমানখিনি outpost আছে, সেই outpost সমূহ পূৰ্ণ থানালৈ ৰূপান্তৰিত কৰিব লাগে। গতিকে সেই নিয়মত আপোনাৰ outpost নিশ্চয়কৈ থানালৈ ৰূপান্তৰিত হ'ব।

দ্বিতীয়তে, আপোনাৰ যিখন পুলিচ জিলা আৰু চিভিল জিলা, এই দুয়োখনৰ ক্ষেত্ৰত বহু চেষ্টা কৰি, আনকি জিষ্ণু বৰুৱা, প্ৰাক্তন অতিৰিক্ত মুখ্যসচিব, গৃহ বিভাগত যেতিয়া আছিল, তেখেতেও গোটেইখিনি চাই যে পুলিচ জিলাখন, এখন জিলাতে থাকিব লাগে আৰু চিভিল জিলাখনৰ লগত এটা সামঞ্জস্য ৰাখিব লাগে। গতিকে জিষ্ণু বৰুৱা ডাঙৰীয়াই এই সম্পৰ্কত এটা report চৰকাৰক তেতিয়া দিছিল। গতিকে আপুনি যিটো কথা কৈছে, গৃহ বিভাগে নিশ্চয় এই কথাখিনি গুৰুত্বসহকাৰে বিবেচনা কৰিব। আপোনাৰ দুয়োটা প্ৰশ্নৰ উত্তৰ পালে আৰু মই আশা কৰিছো আপুনি সন্তুষ্ট হৈছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া **Question hour over.**

**শ্ৰীদেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বাজেটৰ এদিন পূৰ্বে যি Economic Survey Report দিব লাগে, আজি ইয়াৰ আগৰ কেইখন পাব লাগিছিল ছাৰ, আগৰবাৰো এনেকৈ দিয়া নাই। ছাৰ, এইটো আপোনাৰ জৰিয়তে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো, এইটো যাতে আৰু ছাৰ, আমাৰ দুটা breach of privilege ও আছিল, সেইকেইটাৰ ওপৰতো আপোনাৰ পৰা মন্তব্য আশা কৰি আছো।

**মাননীয় অধ্যক্ষ ঃ** হ'ব। আজি এইটো যাওক।

**শ্ৰীশ্বেৰমান আলী আহমেদ, বাঘবৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা পইন্ট অৱ অৰ্ডাৰ আছে। মোৰ এটা প্ৰশ্ন আছিল তৰাবিহীন প্ৰশ্ন ৩৭৫।

**মাননীয় অধ্যক্ষ ঃ** সেইটো under processত আছে।

**শ্ৰীশ্বেৰমান আলী আহমেদ, বাঘবৰ ঃ** চাওঁক আজি, এই যে সদনত সদায় ভুল উত্তৰ দিয়া, যি মন যায় তাকে উত্তৰ দিয়া, ইয়াৰ ওপৰত কিবা এটা ব্যৱস্থা হ'ব লাগে। ইয়াৰ আগৰ দুটা উত্তৰত বিভিন্ন ধৰণৰ।

**মাননীয় অধ্যক্ষ ঃ** হ'ব। আপুনি দিয়া নটিচখন আমি চাই আছো।

**শ্ৰীশ্বেৰমান আলী আহমেদ, বাঘবৰ ঃ** নটিচখন আমি দিম হে। ছাৰ, breach of privilege ল'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে আপুনি নটিচখন দি দিয়ক মই বিবেচনা কৰিম।

**শ্ৰীশ্বেৰমান আলী আহমেদ, বাঘবৰ ঃ** আপুনি অনুগ্ৰহ কৰি গ্ৰহণ কৰিব।

**মাননীয় অধ্যক্ষ ঃ** হ'ব হ'ব। Economic Survey Report টো ইতিমধ্যে আহিছে।

**শ্ৰীৰূপজ্যোতি কুৰ্মী, মৰিয়নী ঃ** ছাৰ, মোৰ পইন্ট অৱ অৰ্ডাৰ এটা আছিল। ছাৰ, গোটেই অসমত

একেবাৰে এটা খলকনি লাগি থকা বিষয় আছিল ৰাইজৰ ননীৰ বাইক চুৰি সম্পৰ্কে। অসম আৰক্ষীক ধন্যবাদ জনাব বিচাৰিছো। ফীৰোজ আলি আৰু আশ্ৰাফুল দেৱানক ধৰা পেলোৱা বাবে। এই কথাটো জনাইছো আৰু অসম আৰক্ষীক আমি ধন্যবাদ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্যসকল, চলিত বিধান সভা অধিৱেশনৰ কালছোৱাৰ ভিতৰতে কেইটামান উৎসাহজনক খবৰে দেশ তথা ৰাজ্যবাসীক আপ্লুত কৰিলে।

মাননীয় সদন, যোৱাকালিৰ দিনটোৱে আমাৰ সমগ্ৰ দেশবাসীৰ বাবে এক উল্লাসৰ বাৰ্তা কঢ়িয়াই আনিলে। আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট সংস্থাই আয়োজিত কৰা চেম্পিয়নচ  ট্ৰফী ক্ৰিকেটৰ ফাইনেলত ৰোহিত শৰ্মা নেতৃত্বাধীন ভাৰতীয় ক্ৰিকেট দলে নিউজিলেণ্ড ক্ৰিকেট দলক ৪ উইকেটত পৰাস্ত কৰি চেম্পিয়নচ ট্ৰফী  দখল কৰিবলৈ সক্ষম হয়। চলিত বৰ্ষৰ ১৯ ফেব্ৰুৱাৰী তাৰিখৰ পৰা সৰ্বমুঠ ৮ টা আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট দলৰ অংশগ্ৰহণেৰে অনুষ্ঠিত হোৱা খেলত পূৰ্বেও চেম্পিয়নৰ খিতাপ দখল কৰা ভাৰতীয় ক্ৰিকেট দলে এইবাৰকে ধৰি সৰ্বমুঠ তিনিবাৰকৈ এই  ট্ৰফী দখল কৰিবলৈ সক্ষম হ'ল। এইবাৰৰ টুৰ্ণামেণ্টৰ সকলো খেলতে বিজয়ী হৈ শিখৰত উপনীত হোৱা ভাৰতীয় দলৰ প্ৰদৰ্শন আছিল সৰ্বদিশতে প্ৰশংসনীয়। ভাৰতীয় ক্ৰিকেট দলৰ এই বিজয়ে সমগ্ৰ দেশতে এক  আনন্দৰ লহৰ বোৱালে। এই বিজয়ে দেশবাসীক সমগ্ৰ বিশ্বৰ সন্মুখত গৰ্বিত কৰিলে। ৰাজ্যখনৰ সমূহ জনগণক প্ৰতিনিধিত্ব কৰা বিধান সভাৰ সকলো সদস্যৰ হৈ মই ভাৰতীয় ক্ৰিকেট দলৰ অধিনায়ক ৰোহিত শৰ্মাকে ধৰি দলৰ সকলো সদস্যলৈকে আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো। লগতে ভাৰতীয় ক্ৰিকেট দলৰ এই বিজয়ৰ অন্যতম অংশীদাৰ  ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ বোৰ্ডৰ সভাপতি ৰোজাৰ বিন্নি, সচিব দেৱজিত শইকীয়া, প্ৰশিক্ষক গৌতম গম্ভীৰকে আদি কৰি দল পৰিচালনাৰ সকলোলৈকে অসম বিধান সভাৰ তৰফৰ পৰা অভিনন্দন জ্ঞাপন কৰিলো।

মাননীয় সদস্য সকল, ভাৰতীয় ক্ৰিকেট দলৰ এই বিজয়ৰ সৈতে আওপকীয়াকৈ হ'লেও আমাৰ ৰাজ্যখনৰ নাম সাঙোৰ খাই পৰিছে। আপোনালোক সকলোৱে  জ্ঞাত যে অসমৰ সু-সন্তান প্ৰাক্তন ৰঞ্জী খেলুৱৈ তথা ৰাজ্যখনৰ মহাধিবক্তা দেৱজিত শইকীয়াই বিগত বৰ্ষৰ ৮ ডিচেম্বৰ তাৰিখে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ বোৰ্ডৰ অবৈতনিক সচিব হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰে। আৰু অতি সৌভাগ্যৰ বিষয় এই যে শ্ৰী দেৱজিত শইকীয়াই সচিব হিচাপে কাৰ্য্যভাৰ গ্ৰহণৰ পিছতে ভাৰতীয় ক্ৰিকেট দলে সুদীৰ্ঘ ১২ বছৰৰ পিছত পুনৰবাৰ চেম্পিয়নচ ট্ৰফী দখল কৰিবলৈ সক্ষম হয়। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ বোৰ্ডৰ সচিব পদত অধিষ্ঠিত হোৱা শ্ৰী শইকীয়া প্ৰথম গৰাকী অসমীয়া। এই আপাহতে মই শ্ৰী দেৱজিত শইকীয়ালৈকো আন্তৰিক অভিনন্দন ও শুভেচ্ছা জ্ঞাপন কৰিলো।

মাননীয় সদন, অসমৰ তিনিগৰাকীকৈ বিশিষ্ট সাহিত্যিক ২০২৪ বৰ্ষৰ 'সাহিত্য অকাডেমী অনুবাদ বঁটা'ৰ বাবে নিৰ্বাচিত হ'ল ।

বিশিষ্ট সাহিত্যিক, অনুবাদক শ্ৰী অঞ্জন শৰ্মালৈ কনক লাল বৰুৱাৰ 'আৰ্লি হিষ্ট্ৰি অৱ কামৰূপ' (Early History of Kamrupa)ৰ অনুবাদিত অসমীয়া ভাষাৰ গ্ৰন্থ 'পশ্চিম কামৰূপৰ ইতিহাস'ৰ বাবে এই বঁটা আগবঢ়োৱা হৈছে ।

সাহিত্যিক, সু-লেখিকা শ্ৰীমতী উত্তৰা বৈসৌমুথিয়াৰী— অনুৰাধা শৰ্মা পূজাৰীৰ গ্ৰন্থ 'কাঞ্চন'ৰ অনুবাদিত একেই শিৰোনামৰ বড়ো ভাষাৰ গ্ৰন্থৰ বাবে এই বঁটা আগবঢ়োৱা হৈছে।

লগতে বিশিষ্ট অনুবাদক তথা সাহিত্যিক শ্ৰী বাসুদেৱ দাসে সাহিত্যিক হোমেন

বৰগোহাঞিৰ গ্ৰন্থ ‘সাউদৰ পুতেকে নাও মেলি যায়’ গ্ৰন্থৰ অনুবাদিত বঙালী ভাষাৰ গ্ৰন্থ ‘সদাগৰেৰ পুত্ৰ নৌকা বেয়ে যায়’ৰ বাবে সাহিত্য অকাডেমীৰ এই স্বীকৃতি লাভ কৰে ।

এই আটাইকেইগৰাকী বৰেণ্য সাহিত্যিকলৈ অসম বিধান সভাৰ তৰফৰ পৰা মই অভিনন্দন জ্ঞাপন কৰিলোঁ ।

মাননীয় সদস্যসকল, মই এতিয়া অসাধাৰণ প্ৰতিভাধাৰী এগৰাকী শিশু শিল্পীৰ কথা উল্লেখ কৰিব বিচাৰিছোঁ । অসমৰ কাৰ্বি আংলং জিলাৰ বোকাজানৰ তনয়া শ্ৰীমতী বিনীতা চেত্ৰীয়ে আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত অসাধাৰণ নৃত্যপ্ৰতিভা প্ৰদৰ্শন কৰি সমগ্ৰ বিশ্ববাসীৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। বিগত বৰ্ষৰ শেষৰ ফালে মুম্বাইত অনুষ্ঠিত অডিশ্যনত নিৰ্বাচিত হৈ আন্তৰ্জাতিক খ্যাতিসম্পন্ন ৰিয়েলিটি শ্ব’ ‘ব্ৰিটেইন্‌ছ গট টেলেণ্ট’ (Britain’s Got Talent)ত স্বকীয় ভংগীমাৰে এক অসাধাৰণ নৃত্যশৈলী প্ৰদৰ্শন কৰি আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বিচাৰক মণ্ডলীৰ হৃদয় জিনিবলৈ সক্ষম হোৱা বিনীতাৰ এই ব্যতিক্ৰমী নৃত্যশৈলীয়ে সমগ্ৰ বিশ্ববাসীকে সন্মোহিত কৰিলে। মাত্ৰ ৮ বছৰ বয়সতে প্ৰদৰ্শন কৰা এই অপূৰ্ব নৃত্যশৈলী সম্ভৱতঃ সমগ্ৰ বিশ্বতে বিৰল। বিশ্ব দৰবাৰত খলকনিৰ সৃষ্টি কৰি আমাৰ দেশ তথা ৰাজ্যখনলৈ সুনাম কঢ়িয়াই অনা অসাধাৰণ প্ৰতিভাধাৰী এই কণমানি শিল্পীগৰাকীলৈ অসম বিধান সভাৰ সমূহ সদস্যৰ হৈ মই অলেখ শুভেচ্ছা জ্ঞাপন কৰিলোঁ আৰু লগতে কণমানিগৰাকীৰ এক সৰ্বাঙ্গসুন্দৰ সফল ভৱিষ্যত কামনা কৰিলোঁ। লগতে, এই সাফল্যমণ্ডিত যাত্ৰাৰ অংশীদাৰী বিনীতাৰ পিতৃ শ্ৰী অমৰ চেত্ৰী আৰু মাতৃ শ্ৰীমতী নিতু তিৱাৰী চেত্ৰীলৈকো আমাৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ ।

**শ্ৰীদেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ সংগীতৰ ডাইৰেক্টৰ অনুৰাগ শইকীয়াই IIFA এৱাৰ্ড পাইছে। তেখেতৰ নামটো ছাৰ, অন্তৰ্ভুক্ত কৰিব লাগে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** আমি হোপফুলি কিবা এটা কৰি আছো।

**শ্ৰীদুৰ্গাদাস বড়ো, কলাইগাওঁ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই খুব ভাল পাইছো যে Cricket Associationৰ Joint Secretaryৰ নেতৃত্বত যিটো আজি ধন্যবাদ দিছে আদৰণি জনাইছে সেইটো ভাল পাইছো। কিন্তু তেওঁ General Secretary হয়। আমি তথাপিও আদৰণি জনাইছো। কিন্তু ভাৰতক নেতৃত্ব দিয়া ৪/৫ গৰাকী সভাপতি অসমত আছে। Federation ক নেতৃত্ব দিয়া। নুৰুল আমিনৰ পৰা আৰম্ভ কৰি এতিয়া বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈকে ৪/৫ গৰাকীয়ে ভাৰতক নেতৃত্ব দি ভাৰতীয় Federationৰ সভাপতি হোৱা মানুহ আছে। ভৱিষ্যতে তেখেত সকলৰ নামো ললে ভাল পাম, ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** হ’ব। এইটো কাৰেক্‌চন কৰিম আমি।

**ডাঃ নোমল মমিন, (মাননীয় উপাধ্যক্ষ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ কাৰণে খুব গৌৰৱৰ কথা আমাৰ প্ৰথম মহিলা বিত্ত মন্ত্ৰীয়ে ধাৰাবাহিক ভাৱে পঞ্চম বাৰলৈ বাজেট উত্থাপন কৰিব আজি। এই বাজেট প্ৰস্তুত কৰা প্ৰাকমূহুৰ্ততে আৰু এটা ভাল খবৰ যে অমৰ চেত্ৰী আৰু নিতু তিৱাৰীৰ তনয়া বিনীতা চেত্ৰীৰ বিট্ৰেইন গট টেলেন্টত চেমি ফাইনেলত প্ৰৱেশ কৰিছে ৮ বছৰ বয়সত। অসমৰ কাৰ্বিআংলং নিবাসী তথা বোকাজানৰ তনয়া বিনীতা চেত্ৰীয়ে ৫ বছৰ বয়স তথা ৩ বছৰ আগতে ভাৰতৰ ৰিয়েলিটি শ্ব’ৰ চুপাৰ ডেন্সাৰত চতুৰ্থ খণ্ডত তেওঁ প্ৰথম স্থান পাইছিল আৰু সেই জৰিয়তে তেওঁ ব্ৰিটেইন গট টেলেন্টত ভূমুকি মাৰিবলৈ সক্ষম হৈছে আৰু ভুমুকি মাৰিয়ে চেমি ফাইনেলত প্ৰৱেশ কৰিছে। এইটো এটা সুখবৰ। আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক আমি ধন্যবাদ

দিব লাগিব যে তেখেতে খেল মহাৰণ, ঝুমুৰ, বিহু নৃত্য, অসমৰ সংস্কৃতিক সমাৰোহ এই বিলাক যেতিয়া অসমত introduce কৰিলে তাৰ জৰিয়তে গাঁৱে গাঁৱে, চুকে কোনে লজ্জুকাই থকা প্ৰতিভা আজি উজ্জ্বলিত হৈ উঠিছে আৰু বিনীতা চেত্ৰী ইয়াৰে এক নিদৰ্শন। মাননীয় অধ্যক্ষ মহোদয়, এটা খুৱ সৰু আৰু দুখীয়া পৰিয়ালৰ পৰা গৈ পিতৃৰ অশেষ ধৈৰ্য্য আৰু কষ্টৰ জৰিয়তে বিনীতা চেত্ৰী আজি বিট্ৰেইন গট টেলেন্টত তেওঁ নিজৰ প্ৰতিভা দেখুৱাবলৈ সক্ষম হৈছে। বৰ্তমান তেওঁ জয়পুৰত চতুৰ্থ শ্ৰেণীত এখন স্কুলত পঢ়ি আছে। তেওঁ তাত practice কৰি আছে আৰু অসম বাসী ৰাইজৰ পৰা যি ধন্যবাদ সূচক শুভেচ্ছা জ্ঞাপন কৰিছে তাৰ কাৰণে বোকাজান ৰাইজৰ বাসী হৈ আপোনাক তথা সকলোকে ধন্যবাদ দিছো। তেওঁ যাতে ব্ৰিটেইন গট টেলেন্টত চেম্পিয়ন হৈ আহিব পাৰে আমি সকলোৱে আশীৰ্বাদ কৰো আহক। এই বিধান সভাৰ পৰাও আমি উজ্জ্বল ভৱিষ্যৎ কামনা কৰিছো আৰু দুই এষাৰ কব দিয়াৰ কাৰণে পুনৰ বাৰ আপোনাক ধন্যবাদ দিছো। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ যি প্ৰচেষ্টা সেই প্ৰচেষ্টাৰ শলাগি আগলৈকেও যাতে তেনে কাম হৈ থাকে তাৰ কাৰণে মই ধন্যবাদ দি মই পুনৰ বাৰ বিত্তমন্ত্ৰী ডাঙৰীয়ানীৰ বাজেটৰ কাৰণে অপেক্ষা কৰিছো। মহিলা সৱলীকৰণৰ সাংস্কৃতিক যি মহাৰণ তাৰ জৰিয়তে এতিয়া বিনীতা চেত্ৰী এই সৱলীকৰণৰে এটা অংশ হ'ব। বহুত বহুত ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। বিনীতা চেত্ৰীলৈ আমাৰ সদনৰ পৰা শুভেচ্ছা থাকিল। তাই যাতে জয় হৈ আহে এইটো আমি কামনা কৰিছো। নোমল মমিন ডাঙৰীয়ালৈও ধন্যবাদ গোটেই information খিনি হাউচত দিয়াৰ কাৰণে।

এতিয়া সদন ১১.৩০ বজালৈ স্থগিত ৰখা হ'ল।

**মাননীয় অধ্যক্ষ ঃ** Hon'ble Finance Minster.

**শ্ৰী মতী অজন্তা নেওঁগ, (বিত্ত বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰথমতে আপোনাৰ পৰা অনুমোদন ল'ব বিচাৰিছো যিহেতু বাজেটখন দীঘলীয়া ১০২ পেজৰ আছে, যিখিনি important anouncement আছে, সেইখিনি মই পঢ়ি দিছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। সকলোখিনি tablet তে আছে। আপোনালোকে চালেই হ'ল।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Parliament ৰ নিয়ম হৈছে, আগতে speech তাৰ পিছতহে copy distribute কৰে। যিয়েই নহওঁক, আমি আমাৰ পৰম্পৰাটো আগতে লোৱা, কিন্তু নিয়ম হ'ল সেইটো।

**মাননীয় অধ্যক্ষ ঃ** সকলোৱে tablet ত আহি গৈছে।

**শ্ৰী মতী অজন্তা নেওঁগ, (বিত্ত বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়,

**(মাননীয়া বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাজেট সদনত পাঠ কৰে)।**

**শ্ৰীমতী অজন্তা নেওঁগ, (বিত্ত মন্ত্ৰী) ঃ** ক্ৰমশ--- অধ্যক্ষ মহোদয় মই

অসম আমাৰ ৰূপহী,
গুণৰো নাই শেষ,
ভাৰতৰে পূৰ্ব দিশত
সূৰ্য্য উঠা দেশ।।

ড° ভূপেন হাজৰিকা দেৱৰ গানৰ এই কলিৰে বাজেট  ভাষণৰ সামৰণি মাৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। সদন **১১** মাৰ্চ ২০২৫ ৰ পুৱা ৯-৩০ বজালৈ স্থগিত ৰখা হ'ল।